# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***
***- - - - - - - - - - - - - -***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ উন্নয়নমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ড০ শৰ্মাই সমষ্টিটোত পদপথ উৰণ সেতুৰ প্ৰয়োজনীয়তা আৰু যোগাযোগ সম্পৰ্কীয় সমস্যা, অসম মালা আঁচনিৰ অগ্ৰগতি, আদৰ্শ অংগনবাড়ী কেন্দ্ৰসমূহত মানৱ সম্পদৰ সম্প্ৰসাৰণ, প্ৰধানমন্ত্ৰী শস্য বীমা যোজনাত হিতাধিকাৰীৰ অনুৰ্ভুক্তিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে তেওঁৰ চাৰি দিনীয়া ডিব্ৰুগড় আৰু তিনিচুকীয়া ভ্ৰমণৰ অন্তিম দিনটোত আজি মন্ত্ৰী আৰু বিধায়কসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। তেওঁ জিলাসমূহৰ আন্তঃগাঁথনি উন্নয়ন আৰু জনকল্যাণমূলক আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ নিশ্চিত কৰাৰ বাবে মন্ত্ৰী-বিধায়কসকলক জনসাধাৰণৰ সৈতে অধিক সক্ৰিয়ভাৱে জড়িত হ'বলৈ আহ্বান জনায়।

ড০ শৰ্মাই আজি ৬৫ কোটি টকা ব্যয় সাপেক্ষে ডিব্ৰুগড়ত  নিৰ্মাণ হ'বলগীয়া মন্ত্ৰীসকলৰ কাৰ্যালয়, মুখ্য সচিব আৰু অতিৰিক্ত মুখ্য সচিবৰ কাৰ্যালয়কে ধৰি সচিবালয় চৌহদ আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত চিকিৎসা শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা আৰু পৰিবহণ মন্ত্ৰী যোগেন মহন উপস্থিত থাকে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উৰিয়াম ঘাটৰ মধুপুৰ অঞ্চলত উচ্ছেদ হ'বলগীয়া ঠাইসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে কেইবাশ দখলকাৰীয়ে উৰিয়ামঘাটৰ পৰা অন্য ঠাইলৈ ৰাওনা হোৱাৰ বিষয়টোত মুখ্যমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে। উৰিয়ামঘাট অঞ্চলত সন্দেহযুক্ত নাগৰিকৰ একোটাকৈ পৰিয়ালে ২০০ৰ পৰা ৪০০ বিঘা মাটি দখল কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয়, যে কাছাৰ, শ্ৰীভূমি, ধুবুৰী, বৰপেটা, হোজাই, নগাঁও, মৰিগাঁৱৰ উপৰি বিহাৰৰ পৰাও বিভিন্ন লোকে আহি উৰিয়ামঘাটত বসতি কৰিছে। ড০ শৰ্মাই বিদ্যাপুৰ অঞ্চলৰ দুই নম্বৰ মধুপুৰ গাঁৱত দখলকাৰীয়ে ৰোপণ কৰা বৃহৎ তামোলবাৰীও পৰিদৰ্শন কৰে। বন বিভাগৰ জাননী অনুসৰি অহা ২৭ জুলাইৰ পৰা উৰিয়ামঘাটত উচ্ছেদ চলোৱা হ'ব বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

ooooo

বিশিষ্ট ভাষাবিদ টাবুৰাম টাইডৰ ৮৩ সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি টাবুৰাম টাইড স্মৃতি ন্যাসৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত অহা এক আগষ্টত ধেমাজিৰ গোগামুখত  টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুথিভঁৰাল প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছে। স্মৃতি ন্যাসৰ অধ্যক্ষ তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি এটা প্ৰেছ বিবৃতি যোগে এই অনুষ্ঠানৰ কথা প্ৰকাশ কৰাৰ লগতে টাবুৰাম টাইড

স্মৃতি ন্যাসৰ সৌজন্যত প্ৰদান কৰিবলগীয়া ২০২৫ বৰ্ষৰ সাহিত্য বঁটাসমূহ ঘোষণা কৰে। বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিলৈ ২০২৫ বৰ্ষৰ টাবুৰাম টাইড সাহিত্য বঁটা আগবঢ়োৱা হৈছে। মিচিং ভাষাৰ বিশিষ্ট লেখক ডাঃ বিদ্যেশ্বৰ দললৈ টাবুৰাম টাইড মিচিং সাহিত্য বঁটা আগবঢ়োৱা হৈছে। একেদৰে জনগোষ্ঠীয় পটভূমিত ৰচনা কৰা **লাঙাদেউ** নামৰ গ্ৰন্থখনৰ বাবে পংকজ কুমাৰ দত্তলৈ উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ সমন্বয় সাহিত্য বঁটা আগবঢ়োৱা হৈছে। তদুপৰি পৰৱৰ্তী সময়ত টাবুৰাম টাইড অনুবাদ সাহিত্য বঁটা আৰু টাবুৰাম টাইড ফেল'শ্বিপ প্ৰদান কৰা হ'ব বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ **প্ৰত্যাশা** শীৰ্ষক পদক্ষেপৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা মুঠ ৪০ গৰাকী পৰীক্ষাৰ্থীক নতুন দিল্লীলৈ প্ৰেৰণ কৰা হ'ব। ইয়াৰ ভিতৰত অসমৰ পৰা ২৬ গৰাকী পৰীক্ষাৰ্থী বাচি উলিওৱা হ'ব। দিল্লীৰ বচা বচা প্ৰতিষ্ঠানত তেওঁলোকক এই পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ ব্যৱস্থা কৰা হ'ব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে কাইলৈৰ পৰা ৪ আগষ্টলৈ www.aasu.org.in ৱেবছাইটৰ যোগে আবেদন কৰিব পাৰিব। অহা ১০ আগষ্টত গুৱাহাটীৰ ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ত বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব। বাছনি পৰীক্ষাত উত্তীৰ্ণসকলে মৌখিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। পৰীক্ষাৰ্থীসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰস্তুতিৰ ব্যৱস্থা কৰাৰ উপৰি তেওঁলোকক মাহিলী জলপানিও প্ৰদান কৰা হ'ব।

০০০০০

শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত আয়ুষ গাৰ্গৰ অধ্যক্ষতাত আজি জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত আঁচনিসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত এই বৈঠকত মূলতঃ বিভিন্ন কাৰণত নিষ্ক্ৰীয় হৈ থকা পাইপযোগে পানী যোগান আঁচনিসমূহৰ শীঘ্ৰে পুনঃ সক্ৰিয় কৰাৰ পদ্ধতিগত উপায় সম্পৰ্কে আলোচনা কৰা হয়। এই ক্ষেত্ৰত সকলো বিভাগৰ সৈতে সমন্বয় ৰাখি কাম কৰি যাবৰ বাবে জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিভাগক পৰামৰ্শ দিয়ে। ইফালে জলজীৱন মিছনৰ অধীনত একোটা পানী যোগান প্ৰকল্পৰ অধীনত থকা হিতাধিকাৰীসকলৰ পৰা নিয়মীয়াভাৱে ইতিপূৰ্বে ধাৰ্য কৰা ন্যূনতম মাহিলী বৰঙণি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত জলমিত্ৰসকলক সক্ৰিয় কৰাৰ বিষয়ে বৈঠকত সহমত প্ৰকাশ কৰা হয়। লগতে অসম চৰকাৰে স্বচ্ছ ভাৰত অভিযানৰ অধীনত স্বচ্ছ সৰ্বেক্ষণ গ্ৰামীন-২০২৫ অভিযানৰ অধীনত গাঁৱসমূহৰ স্বচ্ছতাৰ স্তৰ নিৰীক্ষণৰ ক্ষেত্ৰত নিৰ্ধাৰিত এপত জনসাধাৰণৰ বিপুল অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবেও জলমিত্ৰসকলৰ সক্ৰিয় ভূমিকা সুনিশ্চিত কৰিবলৈও বৈঠকত নিৰ্দেশ দিয়া হয়। বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত, জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, এ পি ডি চি এলৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু অন্যান্য সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০০

সমাপ্ত